# অসন্তুষ্টিৰ সপক্ষে !

জিতুমণি পাঠক

'মোৰ হৃদয় ওপচাই দিয়া, জগতৰ সমস্ত অসূয়া-অশান্তি-অসন্তুষ্টিৰে। এই হৃদয় যেন প্ৰতিপলে বিদ্ধ হৈ থাকে এপাট বিহ সনা কাঁড়েৰে। শৰবিদ্ধ যন্ত্ৰণাৰ অনুভৱেৰে যেন কঢ়িয়াই লৈ ফুৰো এই জীৱন; মৃত্যুৰ আলিঙ্গনে গ্ৰাস নকৰালৈকে।'— জীৱনটোক লৈ নিশ্চয় কোনো সুস্থ মস্তিষ্কৰ ব্যক্তিয়ে এনে কামনা নকৰে। সামান্য মানৱীয় অনুভূতি সম্পন্ন যিকোনো লোকেই শত্ৰুৰো এনে এটা জীৱন কামনা নকৰিব। কাৰণ শান্তি সকলোৰে কাম্য। জীৱনত মুখামুখি হোৱা যন্ত্ৰণাৰ মুহূৰ্তবোৰ যেন অনাহূত অতিথি। জীৱনৰ দীঘলীয়া পথত কিদৰে এইবোৰৰপৰা নিৰাপদ দূৰত অৱস্থান কৰি আগুৱাই যাব পাৰে তাৰেই প্ৰয়াসত সকলো ব্যস্ত। কিন্তু সকলোৱে বিচৰা ধৰণেই জানো হয় সকলোবোৰ? এই যে জীৱন; সিও নাচে ওভতা নাচ। যাৰ সংস্পৰ্শৰ প্ৰতিও মানুহে অনুভৱ কৰে তীব্ৰ বিতৃষ্ণা, সিয়েইচোন আৱৰি ৰাখে এই মানৱ জীৱন। নিবিচাৰিলেও ভৰি পৰে হৃদয় জগতৰ সমস্ত অসূয়া-অসন্তুষ্টি-অশান্তিৰে। হৃদয়ে যেতিয়া অনুভৱ কৰিব খোজে এপাহ সজীৱ ফুলৰ স্পৰ্শ, অনাকাংক্ষিতভাৱে সি বিদ্ধ হয় বিহ সনা কাঁড়ৰ আঘাতত। মৰমৰ স্পৰ্শৰ কামনাৰে কঢ়িয়াই লৈ ফুৰিবলগীয়া হয় শৰবিদ্ধ জীৱন।

শৰবিদ্ধ জীৱনৰ এই যন্ত্ৰণা সকলোৰেই, লাগে তেওঁ এক অতি সাধাৰণ ব্যক্তিয়েই হওক বা হওক কোনো এক অসাধাৰণ ব্যক্তিত্ব। এৰাওঁ বুলিয়েই এৰাব নোৱাৰে ইয়াৰ সংস্পৰ্শ। একে যন্ত্ৰণাৰে বিদ্ধ হোৱাৰ পিছতো তাৰে মাজৰে কিছু উজলি উঠে নিজস্ব প্ৰতিভাৰে। তেনে মুহূৰ্ততে স্বাভাৱিকতে মনলৈ ভাব আহে যে জীৱন যেন এইসকলৰ প্ৰতি কিছু পৰিমাণে হ'লেও উদাৰ। কিন্তু প্ৰকৃতাৰ্থত জানো কথাষাৰ সত্য? মহান লোকসকলৰ জীৱনলৈ অৱলোকন কৰিলে দেখা যায় তেওঁলোকৰ জীৱনো যন্ত্ৰণাৰে ক্লিষ্ট। তেওঁলোকৰ হৃদয়ো ওপচি থাকে তীব্ৰ অসন্তুষ্টিৰে; যি সাধাৰণ লোক এজনতকৈ কোনো গুণে কম নহয়। কিন্তু পাৰ্থক্য এইখিনিতে যে তেওঁলোকে তেওঁলোকৰ এই অশান্তিক ইতিবাচক দিশ দিবলৈ সক্ষম হৈছে। বা এনেধৰণে ক'ব পাৰি যে এই অশান্তি বা অসন্তুষ্টিবোৰেই যেন তেওঁলোকক প্ৰেৰণা যোগায় সৃষ্টিশীল হৈ উঠিবলৈ।

অসন্তুষ্টিৰ শ্ৰেণীবিভাজন হ'ব নোৱাৰে। তথাপি সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰিলে অনুভৱ কৰিব পাৰি যে মহান লোকসকলৰ অসন্তুষ্টিৰ সৈতে যেন আমাৰ অসন্তুষ্টিৰ কিবা এক পাৰ্থক্য আছে। আমাৰ অসন্তুষ্টিবোৰ যেন বৈষয়িক ভোগ-বাসনাৰ সৈতে সম্পৃক্ত। সেইবোৰক আহৰণ কৰাৰ লিপ্সাই আমাক এনেদৰে ব্যতিব্যস্ত কৰি ৰাখে যে দিনকদিনে আমাৰ মনত অসন্তুষ্টিৰ মাত্ৰা তীব্ৰৰপৰা তীব্ৰতৰ হৈ উঠে। এনেধৰণৰ নেতিবাচক অসন্তুষ্টিয়ে বহুসময়ত আমাক নেতিবাচক কাম কৰিবলৈ প্ৰৰোচিত কৰে। তাৰ বিপৰীতে যিসকল ব্যক্তি সৃষ্টিশীল কামৰ সৈতে জড়িত তেওঁলোকৰ মনত যেন এক ইতিবাচক অসন্তুষ্টিয়ে ক্ৰিয়া কৰি থাকে। এই অসন্তুষ্টি কিবা এক নতুন সৃষ্টি কৰিব নোৱাৰাৰ অসন্তুষ্টি। প্ৰসঙ্গক্ৰমে, বন্ধুসম ভাতৃ এজনৰ কথা উল্লেখ কৰিব বিচাৰিম— পেছাত কলেজ শিক্ষক ভাতৃজনৰ ভীষণ নিচা ফটোগ্ৰাফীৰ প্ৰতি। একপ্ৰকাৰৰ উন্মাদনা বুলিয়েই ক'ব পাৰি। খুব পুৱাই কেমেৰাটো লৈ ওলাই যায়। আবেলিৰ সময়কণো ব্যস্ত থাকে কেমেৰাটোক লৈ। বন্ধৰ দিনবোৰত কেৱল চাইকেলখন লৈয়েই এশ কিলোমিটাৰতকৈও অধিক দূৰ অতিক্ৰমি যায় মাত্ৰ এখন পছন্দৰ ফটোৰ বাবে। প্ৰসঙ্গক্ৰমে তেওঁ আমাৰ আগত এদিন ব্যক্ত কৰিছিল যে যদি তেওঁ দিনটোত মন পছন্দৰ এটা স্নেপ ল'ব নোৱাৰে তেন্তে সেই কথাই তেওঁৰ মন গোটেই দিনটো বিতৃষ্ণাৰে ভৰাই ৰাখে। আনকি নিশাও শান্তিৰে শুব নোৱাৰে। তেওঁৰ অসন্তুষ্টিৰ আৰু অন্য দিশো দেখিবলৈ পাওঁ— যেন অমুক লেন্সখন তেওঁ এতিয়ালৈ ক্ৰয় কৰিব পৰা নাই, ফটোগ্ৰাফীৰ ওপৰত লিখা কিতাপখন অৰ্ডাৰ কৰাৰ এমাহ পিছতো আহি পোৱা নাই ইত্যাদি ইত্যাদি। তেওঁৰ মনত সৃষ্টি হোৱা এই অসন্তুষ্টিবোৰ যেন বৈষয়িক হোৱাৰ পিছতো বৈষয়িকতাৰ ঊৰ্দ্ধলৈ গুচি যায়। তেতিয়াই মনলৈ ভাব আহে যেন ক'ৰবাত ৰোপিত হৈছে সাধাৰণৰপৰা অসাধাৰণ হোৱাৰ বীজ। অসন্তুষ্টিবোৰক আলম কৰিয়েই আৰম্ভ হৈছে উজলি উঠাৰ পৰিক্ৰমা। এয়া নিঃসন্দেহে এক ইতিবাচক অসন্তুষ্টি। এনে অসন্তুষ্টিয়ে নিশ্চিতভাৱে কাকো অন্ধকাৰ গহ্বৰলৈ নিক্ষেপ নকৰে, বৰঞ্চ উদ্‌গীৰণ ঘটায় অৱদমিত প্ৰতিভাৰ। এনে অসন্তুষ্টিয়ে কঢ়িয়াই লৈ যাব সফলতাৰ সেই শীৰ্ষতম বিন্দুটোলৈ, যাক স্পৰ্শ কৰাৰ তাড়না সকলোৱে জীৱনত এবাৰ হ'লেও কামনা কৰে। তেনে এক প্ৰেক্ষাপটত নেদেখাজনৰ ওচৰত এবাৰ প্ৰাৰ্থনা কৰিবলৈ মন যায় যে সকলোৰে হৃদয় এনে ইতিবাচক অসন্তুষ্টিৰে ভৰাই তোলক। এনে এক অসন্তুষ্টি যি ধ্বংস নহয়, সৃষ্টিৰ বীজ ৰোপণ কৰে মানৱ সভ্যতাৰ পথাৰত।

সৃষ্টিশীল মনৰ সন্দৰ্ভত এবাৰ এগৰাকী প্ৰথিতযশা ব্যক্তিয়ে কৈছিল যে সৃষ্টিশীল মনবোৰ তপত টিনৰ চালত থকা মেকুৰীটোৰ দৰে; অস্থিৰ, অ-নিয়ন্ত্ৰিত। আধুনিক মানৱৰ জীৱনযাত্ৰাত এই অস্থিৰতা সততে পৰিলক্ষিত হয়। বিশেষকৈ যুৱচামৰ মাজত এই অস্থিৰতাৰ পৰিমাণ যেন অধিক। আজিৰ প্ৰজন্মৰ এক বৃহৎ অংশৰ মাজত এনে অস্থিৰ মানসিকতাৰ প্ৰলেপ দেখিবলৈ পোৱা যায়। দুৰ্ভাগ্যজনকভাৱে এনে অস্থিৰ মানসিকতা তেওঁলোকৰ মাজত সৃষ্টি কৰিছে ভোগবাদী লালসাই। কবিতা বা গল্প এটা লিখি শেষ কৰিব নোৱাৰাৰ বাবে সৃষ্টি হোৱা অস্থিৰতাতকৈ বাইক বা ম'বাইল ফোন এটা ল'ব নোৱাৰাৰ বাবে সৃষ্টি হোৱা অস্থিৰতাৰে ভাৰাক্ৰান্ত হোৱাৰ সংখ্যা সৰহ। বৈষয়িক সুখৰ ঊৰ্দ্ধলৈ যাব নোৱাৰাৰ বাবেই তেওঁলোকৰ এই অস্থিৰতা বা অসন্তুষ্টিয়ে সমাজ জীৱনত কোনোধৰণৰ বৰঙণি যোগাব নোৱাৰে। বৰং ই ব্যক্তিগত বা সামাজিক জীৱনত ক্ষতি কৰাৰহে সম্ভাৱনা বহন কৰে। তেনে এক মুহূৰ্তত তেওঁলোকে নিজকে এবাৰ বিচাৰি চাবলৈ প্ৰয়াস কৰা উচিত। বুজিবলৈ চেষ্টা কৰা উচিত জীৱনৰ ক্ষয়িষ্ণুতাক। অমৰত্ব অভিলাষী তেওঁলোকৰ মনবোৰক তৃপ্ত কৰিব পাৰিব কেৱল সৃজনশীল কাম-কাজবোৰেহে; বৈষয়িক লাহ-বিলাসে নহয়। তেওঁলোকৰ মনত সৃষ্টি হোৱা অস্থিৰতা, অসন্তুষ্টিবোৰক ধাৱিত কৰিব পাৰিব লাগিব সঠিক পথেৰে। এই অস্থিৰতা বা অসন্তুষ্টিৰপৰা পলায়ন নহয়; সিহঁতক আমন্ত্ৰণ জনাবলৈ সাহ গোটাব লাগিব নিজৰ ভিতৰত সুপ্ত হৈ থকা প্ৰতিভাকণক প্ৰোৎসাহিত কৰিবলৈ। সৃষ্টিশীলতাৰ বাবে আটাইতকৈ উত্তম বীজ যুৱচামৰ মাজত যেতিয়া এনে অসন্তুষ্টিয়ে ভৰি পৰিব, তেতিয়া সমাজৰ সকলো শ্ৰেণী লোকৰ মাজতে নিশ্চয় বিৰিঙি উঠিব সন্তুষ্টিৰ হাঁহি।

ফোন ঃ ৯৮৫৪০-১৮১১৭